# 2021

( Held in 2022 )

# PHILOSOPHY

Paper : PHI-RE-5026

**( Western Philosophy )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer in brief/Choose the correct option of the following : 1×10=10

তলত দিয়াসমূহৰ চমুকৈ উত্তৰ দিয়া/শুদ্ধ বিকল্পটো বাছি উলিওৱা :

*(a)* "According to Plato, forms have objective realities." Is it true?

"প্লেটোৰ মতে প্ৰত্যয়সমূহৰ বস্তুনিষ্ঠ সত্তা আছে।" এইটো সত্যনে ?

*(b)* According to Aristotle, God is formless matter/matterless pure form.

এৰিষ্ট'টলৰ মতে ঈশ্বৰ হৈছে আকাৰবিহীন উপাদান/ উপাদানবিহীন বিশুদ্ধ আকাৰ।

*(c)* Of whom the theory regarding the relation between mind and body is known as 'the theory of interactionism'?

মন আৰু দেহৰ সম্বন্ধ-সম্পৰ্কীয় কাৰ মতবাদটোক 'পৰস্পৰ ক্ৰিয়াবাদ তত্ত্ব' নামে জনা যায়?

*(d)* "Monads are indivisible, self-active and spiritual units." Is it correct?

"ম'নাডসমূহ হৈছে অবিভাজ্য, স্বয়ংসক্ৰিয় আৰু আধ্যাত্মিক একক।" এইটো শুদ্ধনে?

*(e)* What is the meaning of the term 'tabula rasa'?

'Tabula rasa' শব্দৰ অৰ্থ কি?

*(f)* To whom Spinoza has designated as 'Natura Naturans' as a prime cause of the universe?

স্পিনোজাই কাক বিশ্বৰ মূল কাৰণ হিচাপে 'Natura Naturans' বুলি অভিহিত কৰিছে?





*(g)* Is Berkeley's idealism subjective?

বাৰ্কলিৰ ভাৱবাদ আত্মগত হয়নে?

*(h)* Give one example of primary quality.

মুখ্য গুণৰ এটি উদাহৰণ দিয়া।

*(i)* What is known as the theory of knowledge of Kant?

কাণ্টৰ জ্ঞানতত্ত্বৰ মতবাদটো কি বুলি জনা যায়?

*(j)* How many categories of knowledge are there according to Kant?

কাণ্টৰ মতে জ্ঞানৰ প্ৰবৰ্গ কেইটা?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* According to Aristotle, what are the two fundamental categories through which we can explain the whole world?

এৰিষ্ট'টলৰ মতে সমগ্ৰ জগতক কোন দুটা মৌলিক প্ৰবৰ্গৰ জৰিয়তে আমি ব্যাখ্যা কৰিব পাৰোঁ?

*(b)* What are the two evils according to Augustine?

আগষ্টাইনৰ মতে দুই প্ৰকাৰৰ অশুভ বা অমঙ্গল কি কি?

*(c)* "According to Spinoza, out of the infinite numbers of qualities or attributes of God, we are able to know only two of them." What are these two attributes?

"স্পিনোজাৰ মতে ঈশ্বৰৰ অনন্ত গুণৰ ভিতৰত আমি মাত্ৰ দুটা গুণকহে জানিব পাৰোঁ।" এই গুণ দুটা কি কি?

*(d)* What is the meaning of 'esse est percipi'?

'Esse est percipi'ৰ অৰ্থ কি?

*(e)* What are the two forms of sensibility?

সংবেদনৰ আকাৰ দুটা কি কি?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Explain briefly the concept of 'Freedom of Will' of Augustine.

আগষ্টাইনৰ 'ইচ্ছাৰ স্বাধীনতা'ৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।





*(b)* Elaborate Descartes' theory of 'mind-body dualism'.

ডেকাৰ্টৰ 'মন-দেহৰ দ্বৈতবাদ' তত্ত্বটোৰ বিতংকৈ আলোচনা কৰা।

*(c)* Explain 'pre-established harmony' of Leibniz.

লাইবনিজৰ 'পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদ' ব্যাখ্যা কৰা।

*(d)* Write a note on primary quality and secondary quality of John Locke.

জন ল'কৰ মুখ্য গুণ আৰু গৌণ গুণৰ বিষয়ে এটা টোকা লিখা।

*(e)* Elaborate briefly Kant's concepts of Space and Time as explained in his 'transcendental aesthetic'.

কাণ্টে তেওঁৰ 'transcendental aesthetic'ত দেশ আৰু কালৰ ধাৰণাক কিদৰে বৰ্ণনা কৰিছে সেই বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

*(f)* How does Kant synthesise rationalism and empiricism in his critical theory? Explain.

কাণ্টে তেওঁৰ বিচাৰবাদত বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয় কেনেকৈ সাধন কৰিছে? ব্যাখ্যা কৰা।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Critically examine Plato's doctrine of forms or ideas.

প্লেটোৰ আকাৰ বা ধাৰণা-সম্বন্ধীয় মতবাদৰ বিচাৰমূলক অনুসন্ধান কৰা।

*(b)* Discuss Aristotle's concepts of potentiality and actuality as the two positions of form and matter.

আকাৰ আৰু উপাদান দুটা অৱস্থা হিচাপে এৰিষ্টটলৰ সম্ভাৱনীয়তা আৰু বাস্তৱিকতাৰ ধাৰণা দুটা আলোচনা কৰা।

*(c)* How does Descartes establish 'cogito ergo sum' as the first certainty in his philosophy? Critically analyze.

'Cogito ergo sum'ক ডেকাৰ্টে তেওঁৰ দৰ্শনত প্ৰথম নিশ্চয়তা হিচাপে কেনেকৈ প্ৰতিষ্ঠা কৰে, সেই সন্দৰ্ভত বিচাৰাত্মক বিশ্লেষণ কৰা।

*(d)* Discuss the theory of Monads of Leibniz.

লাইবনিজৰ ম'নাড তত্ত্বটো আলোচনা কৰা।

*(e)* Explain Hume's theory of causation.

হিউমৰ কাৰণতা তত্ত্বটো ব্যাখ্যা কৰা।





*(f)* Critically discuss Hume's 'sceptical doubt'.

হিউমৰ 'সংশয়বাদী সন্দেহ'ৰ বিচাৰাত্মক আলোচনা কৰা।

*(g)* How does Kant establish relation between sensibility and understanding? Explain.

কান্টে কেনেকৈ সংবেদনশীলতা আৰু বোধৰ মাজত সম্পৰ্ক স্থাপন কৰিছে? ব্যাখ্যা কৰা।

*(h)* Explain Spinoza's Pantheism as a theory of the relation between God and world.

ঈশ্বৰ আৰু জগতৰ মাজৰ সম্বন্ধ-সম্পৰ্কীয় তত্ত্ব হিচাপে স্পিনোজাৰ সৰ্বেশ্বৰবাদ ব্যাখ্যা কৰা।

★★★